# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ দুদিনীয়া সন্মিলন-মুখ্যমন্ত্ৰী পৰিষদৰ সামৰণি অনুষ্ঠানত ভাষণ দিয়ে।

২। উচ্চতম ন্যায়ালয়ে ইয়াৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজিৰে পৰা বিশেষ লোক আদালত সপ্তাহৰ আয়োজন কৰিছে।

৩। অসম আৰক্ষীয়ে কাচাৰ জিলাৰ পৰা প্ৰায় ৯ কোটি টকাৰ মাদক দ্ৰব্যসহ এটা ড্ৰাগছ্ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে।

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে শ্ৰীলংকাক ৭ উইকেটত পৰাস্ত কৰিছে।

*আৰু*

৫। পেৰিছ্ অলিম্পিকত মানু ভাকৰে এয়াৰ পিষ্টলত ব্ৰঞ্জৰ পদক লাভ কৰি ভাৰতৰ হৈ প্ৰথমটো সাফল্য অৰ্জন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ মুখ্যমন্ত্ৰীসকলৰ সৈতে হোৱা বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ জনসাধাৰণৰ অধিক ওচৰ চপাৰ বাবে ব্যৱস্থা গ্ৰহণৰ বিষয়ে আলোচনা কৰে। শ্ৰীমোদীয়ে কল্যাণকামী আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণত গুৰুত্ব আৰোপ কৰি প্ৰশাসন ব্যৱস্থাক আৰু অধিক উন্নত কৰাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। শ্ৰীমোদীয়ে কালি নতুন দিল্লীত অনুষ্ঠিত বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলৰ দুদিনীয়া সন্মিলন-মুখ্যমন্ত্ৰী পৰিষদৰ সামৰণি অনুষ্ঠানত ভাষণ দিয়ে। বৈঠকত প্ৰশাসন ব্যৱস্থাৰ লগতে চৰকাৰৰ কল্যাণকামী পদক্ষেপসমূহ পৰ্যালোচনা কৰা হয়। এই বৈঠকত প্ৰধানমন্ত্ৰীৰ উপৰি বিজেপিৰ সভাপতি জে পি নাড্ডা, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপি অন্যান্য নেতাসকল উপস্থিত থাকে। বিজেপিৰ জ্যেষ্ঠ নেতা বিনয় শহস্ৰবুদ্ধেই এটা বিবৃতিযোগে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপি শাসিত ৰাজ্যসমূহত কল্যাণকামী আঁচনিসমূহৰ সঠিক ৰূপায়ণ নিশ্চিতকৰাৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰি ৰাজ্যসমূহ সু-প্ৰশাসনৰ উদাহৰণ হোৱা উচিত বুলি উল্লেখ কৰিছে। প্ৰধানমন্ত্ৰীয়ে দেশক ৫ লাখ কোটি ডলাৰৰ অৰ্থনীতিত পৰিণত কৰাৰ বাবে বিকাশৰ কাৰ্যসূচীসমূহত জনসাধাৰণৰ অংশগ্ৰহণৰ লগতে অন্যান্য পদক্ষেপসমূহৰ গুৰুত্বৰ বিষয়েও উল্লেখ কৰে।

০০০০০

উচ্চতম ন্যায়ালয়ে ইয়াৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজিৰে পৰা বিশেষ লোক আদালত সপ্তাহৰ আয়োজন কৰিছে। আকাশবাণীৰ সৈতে হোৱা বতৰাত ন্যায়ধ্যাশী কে ভি বিশ্বনাথনে কয় যে, উচ্চতম ন্যায়ালয়ৰ বিচৰাধীন হৈ থকা গোচৰসমূহ মীমাংক্ষা কৰাৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ আৱেদনকাৰীসকলক লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উচ্চতম ন্যায়ালয়ৰ এই ব্যৱস্থাক তেওঁ বিবাদসমূহ স্বেচ্ছামূলক আৰু সমিলমিলেৰে সমাধান কৰাৰ এখন মঞ্চ বুলি অভিহিত কৰে। ন্যায়াধীশ বিশ্বনাথনে লোকআদালতসমূহক ন্যায় লাভৰ বাবে দক্ষ আৰু ব্যয়সাধ্য মাধ্যম বুলিও অভিহিত কৰে।

০০০০০

শিক্ষা মন্ত্ৰালয়ে আজি নতুন দিল্লীৰ মানেকশ্ব' কেন্দ্ৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় শিক্ষনীতি ২০২০ৰ ৰূপায়ণৰ চতুৰ্থ বাৰ্ষিকী উপলক্ষে অখিল ভাৰতীয় শিক্ষা সমাগম ২০২৪ৰ আয়োজন কৰিছে। অখিল ভাৰতীয় শিক্ষা সমাগম হৈছে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে বিভিন্ন অংশীদাৰসকলৰ প্ৰতিশ্ৰুতিবদ্ধতাক সজীৱ কৰি তোলাৰ বাবে লোৱা এটা প্ৰচেষ্টা। এই উপলক্ষে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ ৰূপায়ণৰ বিভিন্ন অভিজ্ঞতা বিষয়ে অৱগত কৰিব। শ্ৰীপ্ৰধানে লগতে বিভিন্ন ভাৰতীয় ভাষাত শিক্ষণৰ সুবিধা থকা টেলিভিছন চেনেলকে ধৰি শিক্ষা বিভাগৰ বিভিন্ন গুৰুত্বপূৰ্ণ পদক্ষেপৰ শুভাৰম্ভ কৰিব। ইয়াৰ ভিতৰত শিক্ষণ প্ৰক্ৰিয়াক আমোদজনক তথা চাপবিহীন কৰি তোলাৰ বাবে স্কুল বেগ বিহীন ১০টা দিনৰ নিৰ্দেশনাও আছে। শ্ৰীপ্ৰধানে লগতে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত ভাৰতীয় শিক্ষা ব্যৱস্থাক অধিক জনপ্ৰিয় কৰাৰ উদ্দেশ্যে কেইবাখনো গ্ৰন্থ আৰু বক্তৃতাৰ শুভাৰম্ভ কৰিব।

০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগে নতুন দিল্লীৰ পুৰণি ৰাজেন্দ্ৰ নগৰৰ এটা কোচিং চেণ্টাৰৰ তলৰ মহলাত বৰষুণৰ পানী জমা হোৱাৰ ফলত কেইবাগৰাকী শিক্ষাৰ্থীৰ মৃত্যু হোৱাৰ বিষয়ত হস্তক্ষেপ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰীয় মহিলা আয়োগে কয় যে, নলা নৰ্দমাসমূহ চাফা কৰাৰ বাবে দিয়া আৱেদন অৱহেলা কৰাটো অতি উদ্বেগজনক বিষয়। আয়োগে এই সন্দৰ্ভত অহা ২ আগষ্টত শুনানি গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় ৰাজধানীখনত কালি সংঘটিত এই দুৰ্ঘটনাত দুগৰাকী মহিলাকে ধৰি ৩ গৰাকী শিক্ষাৰ্থীৰ মৃত্যু হয়। ৰাষ্ট্ৰীয় মহিলা আয়োগে ৰাজেন্দ্ৰ নগৰৰ বিধায়ক দুৰ্গেচ পাঠকলৈ জাননী জাৰি কৰি শুনানিত উপস্থিত থাকিবলৈ নিৰ্দেশ দিছে। এই জাননী অৱমাননা কৰিলে এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও আয়োগে প্ৰকাশ কৰিছে।

০০০০০

অসম আৰক্ষীয়ে শনিবাৰৰ নিশা কাচাৰ জিলাৰ পৰা এটা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে প্ৰায় ৯ কোটি টকাৰ মেথামফেটামাইন টেবলেট জব্দ কৰে। আৰক্ষীয়ে এটা গোপন সূত্ৰৰ ভিত্তিত জিলাখনৰ কটাখাল এলেকাত শনিবাৰৰ নিশা অভিযান চলাই আব্দুল আলিম নামৰ ড্ৰাগছ সৰবৰাহকাৰীটোক গ্ৰেপ্তাৰ কৰাৰ লগতে য়াবা টেবলেট হিচাপে পৰিচিত মাদক দ্ৰব্যখিনি জব্দ কৰে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে ড্ৰাগছ মুক্ত অসম নিৰ্মাণৰ ক্ষেত্ৰত নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবে আৰক্ষীৰ শলাগ লয়। আৰক্ষীয়ে এই ড্ৰাগছখিনি ম্যানমাৰৰ পৰা সৰবৰাহ কৰা হৈছিল আৰু অসমৰ মাজেদি দেশৰ অন্যান্য প্ৰান্তলৈ প্ৰেৰণ কৰা হৈছিল বুলি সন্দেহ প্ৰকাশ কৰিছে।

০০০০০

বিদেশ মন্ত্ৰী এছ্‌ জয়শংকৰে আজি টকিঅ'ত হ'বলগীয়া কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰিব। শ্ৰীজয়শংকৰ দুদিনীয়া জাপান ভ্ৰমণসূচীৰে কালি টকিঅ'ত উপস্থিত হৈছেগৈ। কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠক অষ্ট্ৰেলিয়া, ভাৰত, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ শীৰ্ষ কূটনীতিবিদসকলক একত্ৰিত কৰাৰ এখন মঞ্চ। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠক কোৱাড কাৰ্যসূচীক আগবঢ়াই নিয়া তথা এই ক্ষেত্ৰত সফলতা লাভৰ দিশত এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান। চাৰিখন ৰাষ্ট্ৰৰ মাজৰ কূটনৈতিক অংশীদাৰিত্বৰ উদ্দেশ্যে গঠিত কোৱাড মুক্ত স্থিৰ আৰু সমৃদ্ধিশালী ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই বৈঠকখনে পূৰ্বৰ আলোচনাসমূহৰ কাৰ্যকৰীকৰণৰ লগতে সদস্য ৰাষ্ট্ৰসমূহৰ সহযোগিতাত অধিক শক্তিশালী কৰাত ভূমিকা গ্ৰহণ কৰিব আশা কৰা হৈছে।

০০০০০

শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে শ্ৰীলংকাক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ৰ অপ্ৰতিৰুদ্ধ অগ্ৰগতি লাভ কৰিছে। ভাৰতে টছত জিকি শ্ৰীলংকাক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৬১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবি বিষ্ণুই ২৬ ৰানৰ বিনিময়ত ৩টা উইকেট দখল কৰাৰ বিপৰীতে অৰ্শদীপ সিং, অক্ষৰ পেটেল আৰু হাৰ্দিক পাণ্ড্যিয়াই দুটাকৈ উইকেট দখল কৰে। আনহাতে বৰষুণৰ বাবে ভাৰতৰ লক্ষ্য ৮ অভাৰত ৭৮ ৰানলৈ হ্ৰাস কৰা হয়। ভাৰতে যশস্বী জয়ছোৱাল, সূৰ্য কুমাৰ যাদৱ আৰু হাৰ্দিক পাণ্ড্যিয়াৰ সুন্দৰ বেটিঙেৰে ৯টা বল বাকী থকা অৱস্থাতে ৮১ ৰান কৰিবলৈ সমৰ্থ হয়। ৰবি বিষ্ণুইক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। দুয়োটা দলে কাইলৈ একেটা স্থানতে শৃংখলাটোৰ তৃতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। ইয়াৰ পাছতেই দুয়োটা দলেই কলম্বোত তিনিখন এদিনীয়া ক্ৰিকেটটো মুখামুখি হ'ব।

ইপিনে, ডাম্বুলাত অনুষ্ঠিত মহিলা এছিয়া কাপ ট্ৰফী ক্ৰিকেটত ছামাৰী আটাপট্টুৰ নেতৃত্বাধীন শ্ৰীলংকাৰ দলটো সাতবাৰৰ বিজয়ী ভাৰতক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে এছিয়া কাপ জয়ী কৰিবলৈ সমৰ্থ হয়।

০০০০০

পেৰিছ্‌ অলিম্পিকৰ তৃতীয় দিনা আজি দিনৰ ১ বজাত ভাৰতীয় শ্বুটাৰ ৰমিতা জিন্দাল ১০ মিটাৰ এয়াৰ ৰাইফল মহিলাৰ ফাইনেলৰ মেডেল ৰাউণ্ডত অৱতীৰ্ণ হ'ব। একেবিধ খেলৰে পুৰুষ শাখাৰ ফাইনেলত বিয়লি চাৰে ৩ বজাত অৰ্জুন বাবুটা অৱতীৰ্ণ হ'ব। আনহাতে, সৰবজোৎ সিঙৰ সৈতে মানু ভাকৰৰ যুটী আৰু অৰ্জুন সিং ছেমাৰ সৈতে ৰিডম চংৱানৰ যুটীয়ে ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড দলৰ কোৱালিফিকেচন ৰাউণ্ডত অৱতীৰ্ণ হ'ব। ইফালে পুৰুষ হকীত ভাৰতে আজি পুল বি'ৰ এখন খেলত আৰ্জেণ্টিনাৰ বিৰুদ্ধে খেলিব। ভাৰতীয় হকী দলটোৱে অলিম্পিকৰ প্ৰথম দিনা নিউজিলেণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিছিল।

০০০০০

পেৰিছ্‌ অলিম্পিকত মানু ভাকৰে কালি ব্ৰঞ্জৰ পদক লাভ কৰি ভাৰতৰ পদক তালিকা মুকলি কৰে। ভাৰতে এইবাৰ ২০২০ৰ টকিঅ' অলিম্পিকত লাভ কৰা ৭টা পদকৰ পূৰ্বৰ অভিলেখ অতিক্ৰম কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ভাৰত বৰ্তমান তালিকাৰ ২২ সংখ্যক স্থানত আছে। ইপিনে, অষ্ট্ৰেলিয়া চাৰিটা সোণৰ পদকেৰে প্ৰথম স্থানত আছে।

শেহতীয়া তথ্য অনুসৰি আয়োজক ফ্ৰান্সকে ধৰি দক্ষিণ কোৰিয়া, চীন আৰু জাপানে তিনিটাকৈ সোণৰ পদক লাভ কৰাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰ দুটা পদকেৰে ষষ্ঠ স্থানত আছে।

০০০০০

**সমাপ্ত**